# NSD NEWS BULLETIN
# ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 12-06-2025
**Time :** 0705 hrs

## *Assamese Morning Bulletin*
# HEADLINES

১। ভাৰতৰ নতুন ৰে'লৱে প্ৰকল্পই যোগাযোগ, বাণিজ্য আৰু বহন ক্ষমতাৰ উন্নয়নৰ ক্ষেত্ৰত বিশেষ ভূমিকা গ্ৰহণ কৰিব বুলি প্ৰধানমন্ত্ৰী শ্ৰীমোদীয়ে প্ৰকাশ কৰিছে।

২। বিগত ১১ বছৰত প্ৰধানমন্ত্ৰীৰ নেতৃত্বত দেশৰ অৰ্থনৈতিক পৰিৱৰ্তনৰ ক্ষেত্ৰত নাৰী শক্তিয়ে প্ৰধান ভূমিকা গ্ৰহণ কৰিছে।

৩। কেন্দ্ৰীয় মন্ত্ৰী জীতেন্দ্ৰ সিঙে ফেমিলি পেঞ্চনধাৰক আৰু বয়োজ্যেষ্ঠ পেঞ্চনধাৰকসকলৰ ওজৰ-আপত্তি নিষ্পত্তিৰ বাবে অহা জুলাইত বিশেষ অভিযানৰ মাহজোৰা দ্বিতীয় পৰ্যায় মুকলি কৰিব।

৪। গোলকীয় স্বাস্থ্য ৰক্ষাৰ ক্ষেত্ৰত আয়ুৰ্বেদৰ সম্ভাৱনা সন্দৰ্ভত নিৰ্মিত এখন তথ্যচিত্ৰ কালি নতুন দিল্লীত মুকলি কৰা হয়।

*আৰু*

৫। লণ্ডণৰ লৰ্ডছত অনুষ্ঠিত বিশ্ব টেষ্ট চেম্পিয়নশ্বিপৰ ফাইনেল খেলখনৰ কালি প্ৰথম দিনা দক্ষিণ আফ্ৰিকাৰ বিৰুদ্ধে অষ্ট্ৰেলিয়াই ৪ উইকেটৰ বিনিময়ত ৪৩ ৰান সংগ্ৰহ কৰে।

০০০০০

ভাৰতৰ নতুন ৰে'লৱে প্ৰকল্প দুটাই যোগাযোগ, বাণিজ্য আৰু বহন ক্ষমতাৰ উন্নয়নৰ ক্ষেত্ৰত বিশেষ ভূমিকা গ্ৰহণ কৰিব। অৰ্থনৈতিক পৰিক্ৰমা বিষয়ক কেবিনেট কমিটীৰ বৈঠকত অধ্যক্ষতা কৰি প্ৰধানমন্ত্ৰী শ্ৰীমোদীয়ে এইদৰে প্ৰকাশ কৰে।

ইয়াৰে প্ৰথম প্ৰকল্পটো ঝাৰখণ্ডৰ কয়লা উৎপাদনকাৰী বৃহৎ ক্ষেত্ৰৰ মাজেৰে পাৰ হৈ যোৱা ১৩৩ কিলোমিটাৰ দৈৰ্ঘ্যৰ কোদাৰমা-বৰকাকানা ৰে'লপথটো দ্বৈতকৰণৰ সৈতে জড়িত। দ্বিতীয় প্ৰকল্পটোৰ  কৰ্ণাটকৰ চিত্ৰাদুৰ্গা জিলা আৰু অন্ধ্ৰপ্ৰদেশৰ অনন্তপুৰ জিলাৰ মাজেৰে যোৱা ১৮৫ কিলোমিটাৰ দৈৰ্ঘ্যৰ বল্লাৰী-চিকাজাজুৰ ৰে'লপথটোৰ দ্বৈতকৰণৰ সৈতে জড়িত। এই দুয়োটা ৰে'ল প্ৰকল্পই ঝাৰখণ্ড, কৰ্ণাটক আৰু অন্ধ্ৰপ্ৰদেশৰ ৭ খন জিলাৰ মাজেৰে পাৰ হৈ গৈছে। দুয়োটা ৰে'ল প্ৰকল্পই ভাৰতীয় ৰে'লৰ প্ৰায় ৩১৮ কিলোমিটাৰ দৈৰ্ঘ্য বৃদ্ধি কৰাৰ লগতে এই প্ৰকল্প নিৰ্মাণৰ সময়ত ১০৮ লাখ কৰ্মদিন সৃষ্টি কৰিব। এই প্ৰকল্প দুটা বহুমুখী যোগাযোগ ব্যৱস্থাৰ বাবে পি এম গতিশক্তি ৰাষ্ট্ৰীয় আঁচনিৰ সুফল, যিয়ে সংহত পৰিকল্পনাৰ জৰিয়তে জনসাধাৰণৰ সেৱা আৰু সামগ্ৰী কঢ়িওৱাৰ ক্ষেত্ৰত যোগাযোগ ব্যৱস্থা সুচল কৰি তুলিব।

০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কালি ৰাষ্ট্ৰীয় ৰাজধানী দিল্লীত বিজেপিৰ সাংসদ, বিধায়ক আৰু অন্যান্য নেতাৰ সৈতে বাৰ্তালাপ কৰে। সামাজিক মাধ্যমৰ এটা পোষ্টত শ্ৰীমোদীয়ে কয়, যে এই বাৰ্তালাপৰ সময়ত তেওঁলোকে দিল্লীৰ জনসাধাৰণৰ জীৱনৰ মান উন্নত কৰি তোলাৰ বাবে আলোচনা কৰে। দিল্লীৰ মুখ্যমন্ত্ৰী ৰেখা গুপ্তাও এই আলোচনাত উপস্থিত আছিল।

০০০০০

সেৱা, সুশাসন আৰু দৰিদ্ৰ কল্যাণৰ আদৰ্শৰে দেশে ৰূপান্তৰৰ এটা দশক সম্পূৰ্ণ কৰিছে। চৰকাৰে যোৱা ১১ বছৰে বিভিন্ন গুৰুত্বপূৰ্ণ ক্ষেত্ৰত গ্ৰহণ কৰা পদক্ষেপসমূহৰ সন্দৰ্ভত আকাশবাণীয়ে বিশেষভাৱে প্ৰচাৰ কৰিছে। এনে প্ৰচাৰৰ অংশ হিচাপে আজি আমি অৰ্থনৈতিক পৰিৱৰ্তনৰ ক্ষেত্ৰত নাৰী শক্তিৰ ভূমিকা সন্দৰ্ভত আলোকপাত কৰিবলৈ লৈছে।

বিগত দশটোত ভাৰতত মহিলাৰ নেতৃত্বত হোৱা নীৰৱ অৰ্থনৈতিক বিপ্লৱৰ আমি সাক্ষী হৈছো। গ্ৰামাঞ্চলৰ আত্মসহায়ক গোটৰ পৰা মহানগৰৰ উদ্যোগী মহিলাসকলে কেৱল অৰ্থনৈতিক ক্ষেত্ৰত অংশগ্ৰহণ কৰাই নহয় বৰং অৰ্থনৈতিক পৰিৱৰ্তনৰ ক্ষেত্ৰত তেওঁলোক মূল চালিকা শক্তি ৰূপে পৰিগণিত হৈছে।

প্ৰধানমন্ত্ৰীৰ মুদ্ৰা যোজনাৰ অধীনত প্ৰায় ৬৮ শতাংশ মহিলাৰ মাজত ৫২ কোটি ৫০ লাখ টকাৰ ঋণ বিতৰণ কৰা হৈছে। যাৰ জৰিয়তে মহিলাসকলে ক্ষুদ্ৰ ব্যৱসায় বঢ়োৱাৰ লগতে তেওঁলোকৰ ব্যৱসায়িক ক্ষেত্ৰৰ সম্প্ৰসাৰণ ঘটাই অৰ্থনৈতিক স্বাধীনতা লাভ কৰিছে।

০০০০০

কেন্দ্ৰীয় মন্ত্ৰী জীতেন্দ্ৰ সিঙে ফেমিলি পেঞ্চনধাৰক আৰু বয়োজ্যেষ্ঠ পেঞ্চনধাৰকসকলৰ ওজৰ-আপত্তি নিষ্পত্তিৰ বাবে অহা জুলাইত বিশেষ অভিযানৰ মাহজোৰা দ্বিতীয় পৰ্যায় মুকলি কৰিব। পেঞ্চন আৰু পেঞ্চনাৰ কল্যান বিভাগে ফেমিলি পেঞ্চনধাৰক আৰু বয়োজ্যেষ্ঠ পেঞ্চনধাৰকসকলৰ ২ হেজাৰ ২১০টা ওজৰ আপত্তি নিষ্পত্তিৰ বাবে এই অভিযান মুকলি কৰা হ'ব। কৰ্মচাৰী, ৰাজহুৱা ওজৰ আপত্তি নিষ্পত্তি আৰু পেঞ্চন মন্ত্ৰালয়ে প্ৰকাশ কৰা মতে, পেঞ্চন বিভাগৰ সচিবৰ অধ্যক্ষতাত নডেল বিষয়াসকলৰ সৈতে পেঞ্চনধাৰক সকলৰ ওজৰ আপত্তি নিষ্পত্তি সম্পৰ্কে হোৱা বৈঠকত এই বিশেষ অভিযানৰ দ্বিতীয় পৰ্যায় সূচাৰুৰূপে সম্পন্ন কৰাৰ বিষয়ে আলোচনা হয়। বৈঠকত এই অভিযানত নীতি নিৰ্দেশন সম্পৰ্কেও বিশদভাৱে আলোচনা কৰা হয়।

০০০০০

জুলাইৰ পৰা আধাৰৰ সৈতে একাউণ্ট প্ৰামানিকৃত সকলেহে আই আৰ ছি টি চিৰ ৱেৱছাইট আৰু এপৰ জৰিয়তে অনলাইনযোগে তৎকাল টিকট বুক কৰিব পাৰিব বুলি ৰে'ল মন্ত্ৰালয়ে প্ৰকাশ কৰিছে। তৎকাল টিকট বুকিঙৰ প্ৰক্ৰিয়াটো অধিক নিকা আৰু স্বচ্ছ কৰি তোলাৰ লগতে যাত্ৰীসকলৰ স্বাৰ্থ সুৰক্ষিত কৰাৰ উদ্দেশ্যে এই পদক্ষেপ লোৱা হৈছে। ভাৰতীয় ৰেল বিভাগে তৎকাল টিকট বুকিং প্ৰণালীৰ কেতবোৰ গুৰুত্বপূৰ্ণ সাল-সলনিৰ কথা ঘোষণা কৰিছে। এই অনুসৰি ১৫ জুলাইৰ পৰা অনলাইনযোগে তৎকাল টিকট বুকিঙৰ বাবে আধাৰ আধাৰিত অ টি পি প্ৰমাণিকৰণ বাধ্যতামূলক হ'ব।

০০০০০

গোলকীয় স্বাস্থ্য ৰক্ষাৰ ক্ষেত্ৰত আয়ুৰ্বেদৰ সম্ভাৱনা সন্দৰ্ভত নিৰ্মিত এখন তথ্যচিত্ৰ কালি নতুন দিল্লীত মুকলি কৰা হয়। **আয়ুৰ্বেদ- দ্য ডাবল হেলিক্স অফ লাইফ** শীৰ্ষক এই তথ্য চিত্ৰখন আয়ুষ মন্ত্ৰালয়ৰ ৰাজ্যিক মন্ত্ৰী প্ৰতাপৰাও যাদৱে মুকলি কৰে। এই অনুষ্ঠানত মন্ত্ৰী গৰাকীয়ে কয়, যে এইখন কেৱল মাত্ৰ তথ্য চিত্ৰ নহয়, বৰং আয়ুৰ্বেদৰ ব্যৱহাৰ সন্দৰ্ভত সজাগতা সৃষ্টিৰ বাবে এয়াই এক জন আন্দোলন।

৯০ মিনিট দৈৰ্ঘ্যৰ এই তথ্যচিত্ৰখনত পুৰণি ৰোগ নিৰাময়ৰ ক্ষেত্ৰত আয়ুৰ্বেদৰ চিকিৎসাৰ ভূমিকা দাঙি ধৰা হৈছে। তথ্য চিত্ৰখন ড° এ ভি অনুপে প্ৰযোজনা আৰু বিনোদ মাংকাৰে পৰিচালনা কৰিছে। স্বাস্থ্যৰক্ষাৰ ক্ষেত্ৰত আয়ুৰ্বেদৰ ভূমিকা সন্দৰ্ভত তথ্যচিত্ৰখনত বিভিন্ন দিশৰ আলোকপাত কৰিছে।

ooooo

ভাৰত আৰু চীন এই দুয়োখন প্ৰতিবেশী দেশৰ উত্থানৰ লগে লগে বিশ্বত জটিল সমতাৰ সৃষ্টি হৈছে। জি এম এফ ব্ৰুছেল্চ ফৰাম ২০২৫ত ভাষণ দি বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ড° এছ্ জয়শংকৰে  এই দৰে কয়। সীমান্ত বিষয়ক দিশটো বাদ দি ভাৰত আৰু চীনৰ মাজত বাণিজ্য আৰু অৰ্থনৈতিক সম্পৰ্ক ভাল বুলি শ্ৰীজয়শংকৰে উল্লেখ কৰে। দুয়োখন দেশৰ অৰ্থনৈতিক আৰু ৰাজনৈতিক আৰ্হিৰ মাজত পাৰ্থক্য আছে। এই পাৰ্থক্যই দুয়োখন দেশৰ মাজত দূৰত্ব সৃষ্টি কৰা বুলি কোনোৱে ভাবিব পাৰে। মন্ত্ৰী ড° জয়শংকৰে কয়, যে সীমান্তৰ অমীমাংসিত বিবাদসমূহে দুয়ো দেশৰ সম্পৰ্কৰ মাজত এটা বৃহৎ ভূমিকা পালন কৰিছে। ভাৰত আৰু চীনৰ মাজত ঐতিহাসিক সম্পৰ্ক আছে আৰু দুয়োখন দেশৰ একে সময়তে উত্থান ঘটিছে বুলি বৈদেশিক পৰিক্ৰমা মন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰে।

ooooo

বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ড° এছ্ জয়শংকৰে কালি ব্ৰাছেলছত ইউৰোপীয় সংঘৰ অধ্যক্ষ ৰবাৰ্টা মেটছোলাৰ সৈতে ভাৰত আৰু ইউৰোপীয় সংঘৰ সংসদীয় সম্বন্ধক সুদৃঢ় কৰাৰ বাবে গণতন্ত্ৰ আৰু  বহুত্ববাদৰ প্ৰমূল্যসমূহৰ সন্দৰ্ভত আলোচনা কৰে। বৈঠকৰ পাছত সামাজিক মাধ্যমৰ এটা বাৰ্তাত ড° জয়শংকৰে কয় যে ভাৰত আৰু ইউৰোপীয় সংঘই বাণিজ্য, প্ৰযুক্তি আৰু সুৰক্ষাৰ ক্ষেত্ৰত সহযোগিতা বৃদ্ধি কৰাৰ ক্ষেত্ৰত তেওঁ ইতিবাচক সঁহাৰি দিছে। আমাৰ সংবাদদাতাই জানিবলৈ দিছে যে ভাৰত আৰু ইউৰোপীয় সংঘৰ দ্বিপাক্ষিক কৌশলগত সম্বন্ধ বিগত বৰ্ষসমূহত বিভিন্ন খণ্ডত সুদৃঢ় হৈছে আৰু চলিত বৰ্ষৰ ফেব্ৰুৱাৰীৰ ইউৰোপীয় সংঘৰ আয়ুক্তই প্ৰথমবাৰৰ বাবে ভাৰত ভ্ৰমণ কৰাৰ পাছত ই আৰু অধিক বৃদ্ধি হৈছে।

ooooo

দেশজোৰা বিকশিত কৃষি সংকল্প অভিযানৰ সামৰণিৰ অংশ হিচাপে আজি গুজৰাটৰ ঐতিহাসিক স্থান বাৰডোলিত এখন কৃষক সন্মিলন অনুষ্ঠিত হ'ব। কেন্দ্ৰীয় কৃষিমন্ত্ৰী শিৱৰাজ সিং চৌহান আৰু গুজৰাটৰ মুখ্যমন্ত্ৰী ভূপেন্দ্ৰ পেটেলে এই কাৰ্যসূচীত অংশগ্ৰহণ কৰিব। উল্লেখযোগ্য যে, কৃষিক আত্মনিৰ্ভৰ হিচাপে গঢ়ি তোলাৰ বাবে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ দৃষ্টিভংগীৰে যোৱা ২৯ মে'ত এই অভিযান আৰম্ভ কৰা হৈছিল। আজিৰ সন্মিলনত অঞ্চলটোত কৃষিৰ বিকাশক উদগনি যোগোৱাৰ উদ্দেশ্যে এলানি নতুন উদ্যম মুকলি কৰা হ'ব।

ooooo

কানাডাত পিল ৰিজিঅনেল আৰক্ষীয়ে ড্ৰাগছ্ সৰবৰাহৰ সৈতে জড়িত থকাৰ অভিযোগত দেশখনত বাস কৰা ভাৰতীয় মূলক ৭ জন লোকক ধৰি মুঠ ৯ জন লোকক আটক কৰিছে। আৰক্ষীয়ে লোককেইজনৰ পৰা প্ৰায় ৩০০ কোটি মূল্যৰ ৪৭৯ কিলোগ্ৰাম কোকেইন জব্ধ কৰিবলৈ সমৰ্থ হয়। এই ড্ৰাগছ্ সৰবৰাহকাৰী কেইজনৰ আটক দেশখনৰ প্ৰজেক্ট পেলিকান শীৰ্ষক ড্ৰাগছ বিৰোধী অভিযানৰ এক বৃহৎ সাফল্য হিচাপে বিবেচিত হৈছে।

০০০০০

লণ্ডণৰ লৰ্ডছত অনুষ্ঠিত বিশ্ব টেষ্ট চেম্পিয়নশ্বিপৰ ফাইনেল খেলখনৰ কালি প্ৰথম দিনা দক্ষিণ আফ্ৰিকাৰ বিৰুদ্ধে অষ্ট্ৰেলিয়াই ৪ উইকেটৰ বিনিময়ত ৪৩ ৰান সংগ্ৰহ কৰে। দক্ষিণ আফ্ৰিকাৰ অধিনায়ক টেম্বা বাভুমা আৰু ডেভিড বেডিংহামে আজি দ্বিতীয় দিনৰ খেল আৰম্ভ কৰিব।

প্ৰথমে বেট ধৰিবলৈ আমন্ত্ৰণ লাভ কৰাৰ পাছত যোৱাবাৰৰ বিজয়ী অষ্ট্ৰেলিয়াই আটাইকেইটা উইকেট হেৰুৱাই ২১২ ৰান সংগ্ৰহ কৰে। দলৰ হৈ বেউ ৱেবষ্টাৰে সৰ্বাধিক ৭২ ৰান কৰে। দক্ষিণ আফ্ৰিকাৰ হৈ কাগিছ্‌ ৰাবাদাই ৫টা, মাৰ্কো জেনচেনে তিনিটা আৰু কেশভ মহাৰাজ আৰু এইডেন মাৰ্কৰামে এটাকৈ উইকেট দখল কৰে। ইয়াৰ পাছত দক্ষিণ আফ্ৰিকাই নিজৰ প্ৰথম ইনিংছৰ খেল আৰম্ভ কৰে আৰু দিনটোৰ শেষলৈ চাৰিটা উইকেট হেৰুৱাই ৪৩ ৰান সংগ্ৰহ কৰে। অষ্ট্ৰেলিয়াৰ হৈ মিটচেল ষ্টাৰ্কে দুটা আৰু জজ হেজেলউড আৰু হেট কামিনচে এটাকৈ উইকেট লাভ কৰে।

আকাশবাণীয়ে হিন্দী আৰু ইংৰাজীত সলনাসলনিকৈ এই খেলখনৰ চলন্ত বিৱৰণী প্ৰচাৰ কৰিব। আকাশবাণীৰ ইন্দ্ৰপ্ৰস্থ আৰু অন্যান্য চেনেলসমূহত দিনৰ ২ বাজি ৫৫ মিনিটৰ পৰা এই চলন্ত বিৱৰণী শুনিবলৈ পোৱা যাব।

০০০০০

**সমাপ্ত**